**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 25-11-2025
**Time :** 21-25 Hrs

# ASSAMESE NIGHT BULLETIN

::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

অসম বিধানসভাৰ শীতকালীন অধিৱেশনৰ প্ৰথম দিনটোত আজি জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যু আৰু ইয়াৰ তদন্ত প্ৰক্ৰিয়াক লৈ বিৰোধীয়ে অনা সভা স্থগিত প্ৰস্তাৱত শাসক পক্ষই সমৰ্থন জনায়। এই বিষয়টো লৈ আজি সদনত দীঘলীয়া সময়জুৰি আলোচনা চলে।

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই জুবিন গাৰ্গৰ মৃত্যু পৰিকল্পিত হত্যাকাণ্ড আছিল বুলি সদনৰ মজিয়াত প্ৰকাশ কৰে। সদনৰ দিনটোৰ কাম-কাজৰ আৰম্ভণিতে অধ্যক্ষ বিশ্বজিৎ দৈমাৰীয়ে বিগত সময়ছোৱাত ৰাজ্যখনত মৃত্যু হোৱা কেইবাগৰাকী বিশিষ্ট ব্যক্তিৰ লগতে জুবিন গাৰ্গৰ মৃত্যুৰ শোকপ্ৰস্তাৱ পাঠ কৰাৰ লগতে এক মিনিট সময় মৌন প্ৰাৰ্থনা কৰে। ইয়াৰ পাছতে কংগ্ৰেছ, এ আই ডি ইউ এফ, ৰাইজৰ দল আৰু চি পি এমে জুবিন গাৰ্গৰ মৃত্যুৰ সন্দৰ্ভত আলোচনা কৰিবলৈ সভা স্থগিত প্ৰস্তাৱ আনে। অসম বিধানসভাৰ ইতিহাসত প্ৰথমবাৰৰ বাবে শাসকীয় পক্ষই বিধানসভাত বিৰোধীয়ে অনা সভা স্থগিত প্ৰস্তাৱৰ প্ৰতি সমৰ্থন জনায়। জুবিন গাৰ্গৰ মৃত্যুৰ তদন্ত সঠিক দিশে আগবঢ়া নাই বুলি অভিযোগ তুলি বিৰোধী ৰাজনৈতিক দলসমূহে জুবিন গাৰ্গক ন্যায় প্ৰদানৰ দাবী উত্থাপন কৰে। বিৰোধী দলপতি দেৱব্ৰত শইকীয়াই লগতে জুবিনৰ গাৰ্গৰ মৃত্যু সন্দৰ্ভত চি বি আইৰ তদন্ত দাবী কৰে। ৰাইজৰ দলৰ সভাপতি তথা বিধায়ক অখিল গগৈয়েও অনুৰূপ দাবী উত্থাপন কৰে। ইয়াৰ পিছতে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই সদনত জুবিন গাৰ্গক পৰিকল্পিতভাৱে হত্যা কৰা হৈছিল আৰু এই হত্যাকাণ্ডত এজন বিশেষ ব্যক্তি জড়িত হৈ আছিল বুলি আনুষ্ঠানিকভাৱে ঘোষণা কৰে। সেই ব্যক্তিজনক আন কেইজনমান ব্যক্তিয়ে সহযোগ কৰিছিল বুলিও তেওঁ কয়।

**ৰাইট (চি এম)**

মুখ্যমন্ত্ৰীয়ে সদনক জনাই যে, অহা ৮ ডিচেম্বৰত জুবিন গাৰ্গৰ মৃত্যু সন্দৰ্ভত এছ আই টিয়ে অভিযোগনামা দাখিল কৰিব আৰু চৰকাৰে আদালতত এই গোচৰৰ বিচাৰ প্ৰক্ৰিয়া FAST TRACK COURT ৰ জৰিয়তে কৰিবলৈ অনুৰোধ জনাব।

০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ অধ্যক্ষতাত আজি গুৱাহাটীত ৰাষ্ট্ৰীয় গণতান্ত্ৰিক মৰ্চা-এন ডি এৰ বিধায়িনী দলৰ বৈঠক অনুষ্ঠিত হয়। বৈঠকত বিধানসভাৰ শীতকালীন অধিবেশনৰ কাৰ্যসূচী সন্দৰ্ভত আলোচনা কৰা হয়।

০০০০

ভাৰতীয় ডাক বিভাগৰ অসম মণ্ডলে **জুবিন** শীৰ্ষক পোষ্ট কাৰ্ডৰ সংকলন প্ৰকাশ কৰিছে। গোলাঘাটৰ চিত্ৰশিল্পী মনজিৎ ৰাজখোৱাই অংকন কৰা জুবিন গাৰ্গৰ এখন ছবিও এই পোষ্ট কাৰ্ডত স্থান পাইছে। গোলাঘাটৰ ডাকঘৰত সোনকালে ৫ হাজাৰ পোষ্ট কাৰ্ড উপলব্ধ হ'ব বুলি ডাকঘৰৰ কৰ্তৃপক্ষই প্ৰকাশ কৰিছে।

০০০০

পঞ্চায়তীৰাজ মন্ত্ৰালয়ে কাইলৈ সংবিধান দিৱস উপলক্ষে সমগ্ৰ দেশতে তিনি-তৰপীয়া পঞ্চায়তীৰাজ প্ৰতিষ্ঠান আৰু স্থানীয় গ্ৰামীণ পৰিচালনা সমিতিসমূহৰ মাজত বিশেষ নিৰীক্ষণ চলোৱাৰ ব্যৱস্থা গ্ৰহণ কৰিছে। মন্ত্ৰালয়ৰ সূত্ৰই প্ৰকাশ কৰা মতে এই বছৰৰ সংবিধান দিৱস উপলক্ষে সম্পাদক বিবেক ভৰদ্বাজ আৰু জ্যেষ্ঠ বিষয়া তথা কৰ্মচাৰীসকলৰ উপস্থিতিত সংবিধানৰ প্ৰস্তাৱনা পাঠ কৰা হ'ব। ইয়াৰ লগতে সকলো কৰ্মচাৰীৰ বাবে **ন' ইওৰ কনষ্টিটিউচন** বিষয়ত কুইজ আৰু ৰচনা প্ৰতিযোগিতাৰো আয়োজন কৰা হ'ব। দেশৰ সকলো গাঁও পঞ্চায়তৰ সদস্যসকলে স্থানীয় ভাষাত প্ৰস্তাৱনা পাঠ কৰাৰ লগতে সংবিধানৰ সৈতে জড়িত বিভিন্ন আলোচনা আৰু কুইজ প্ৰতিযোগিতাৰ আয়োজন কৰা হ'ব বুলি মন্ত্ৰালয়ে প্ৰকাশ কৰিছে।

০০০০

জনসাধাৰণৰ মাজত জীৱন বীমাৰ প্ৰয়োজনীয়তা আৰু বীমা সজাগতাৰ উদ্দেশ্যে আজি জীৱন বীমা নিগমৰ ধেমাজি শাখাই ধেমাজি চহৰত এটা সজাগতামূলক মটৰচাইকেল ৰেলী উলিওৱা হয়। ভাৰতীয় জীৱন বীমা নিগমৰ যোৰহাট মাণ্ডলিক কাৰ্যালয়ৰ অধীনৰ শাখাসমূহে বীমা সজাগতাৰ উদ্দেশ্যেৰে উলিওৱা সজাগতা কাৰ্যসূচীৰ অংশ হিচাপে এই মটৰচাইকেল ৰেলী উলিওৱা হয়। সজাগতা কাৰ্যসূচীৰ জৰিয়তে ভাৰতীয় জীৱন বীমা নিগমে বীমা সখী, বীমা লক্ষ্মী আৰু জনসুৰক্ষা নামৰ নতুন বীমা আঁচনিৰ প্ৰচাৰো চলায়।

০০০০

বিজেপিৰ ৰাজ্যিক সাংগঠনিক সাধাৰণ সম্পাদক ৰবীন্দ্ৰ ৰাজুৱে আজি বিশ্বনাথ জিলা সভাপতি অসীম কুমাৰ দাসৰ সভাপতিত্বত অনুষ্ঠিত অগ্ৰগামী অসম-সমৃদ্ধিশালী ভাৰত সম্পৰ্কীয় এখন গুৰুত্বপূৰ্ণ সাংগঠনিক সভাত অংশগ্ৰহণ কৰে। সভাত বিজেপিৰ ৰাজ্যিক সাধাৰণ সম্পাদক পল্লৱ লোচন দাস, ৰাজ্যিক কাৰ্যনিৰ্বাহক সদস্য পংকজ বৰা আৰু বিশ্বনাথ আৰু বিহালী বিধানসভা সমষ্টিৰ দলীয় কৰ্মীসকল উপস্থিত থাকে।

০০০০

বিশ্বনাথ জিলাৰ চাৰিআলিৰ এখন হোটেলত আজি ধেমাজী, ওদালগুৰি, লখিমপুৰ, বিশ্বনাথ, শোণিতপুৰ আৰু দৰং জিলাৰ সভাপতি আৰু ব্লক সভাপতিসহ কংগ্ৰেছৰ ১০৮ জন নেতা কৰ্মীৰ গুৰুত্বপূৰ্ণ বৈঠক অনুষ্ঠিত হয়।

০০০০

**ঃঃ সমাপ্ত ঃঃ**